# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 23-06-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
**<u>HEADLINE</u>**

ooooo

১। জাপানৰ প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ বাতিল কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।
২। অসম চাহ নিগমৰ কৰ্মচাৰীৰ স্বেচ্ছামূলক অৱসৰৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাৰ ৯ কোটি ৭৫ লাখ টকাৰ অনুমোদন।
৩। ৰাজ্যৰ বিশিষ্ট ভাস্কৰ্য শিল্পী আৰু কলা নিৰ্দেশক নুৰুদ্দিন আহমেদকে ধৰি ৬৫গৰাকীলৈ পদ্ম সন্মান।
৪। ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ ৰূপায়ণ সন্দৰ্ভত আছু নেতৃবৰ্গৰ সৈতে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বৈঠক। আৰু
৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পৰ্তুগাল উজবেকিস্তানৰ আৰু ইংলেণ্ড ঘানাৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

জাপানৰ প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ বাতিল কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সংবাদমেলত তেওঁ এই কথা উল্লেখ কৰে। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ সচিব বিক্ৰম মিশ্ৰীয়ে এই কথা স্পষ্ট কৰিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ ভ্ৰমণ নতুন দিল্লীতে সীমিত থাকিব। মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকত ৰাজ্যৰ হোমষ্টে'সমূহৰ পঞ্জীয়ন সন্দৰ্ভত কেইবাটাও সিদ্ধান্ত লোৱা হৈছে বুলি সদৰী কৰে। হোমষ্টে'সমূহে তিনি বছৰৰ মূৰে মূৰে পঞ্জীয়ন নৱীকৰণ কৰিব লাগিব আৰু কোঠাৰ সংখ্যা ৬ৰ পৰা ৮লৈ বৃদ্ধি কৰিব পাৰিব বুলি বৈঠকত সিদ্ধান্ত লোৱা হয়। এটা প'ৰ্টেলত এই পঞ্জীকৰণ নৱীকৰণ কৰিব লাগিব। তদুপৰি, ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ ক্ষেত্ৰত কিছু শিথিলতা অনাৰ বাবেও সিদ্ধান্ত লোৱা হৈছে। অসম চাহ নিগমৰ কৰ্মচাৰীক স্বেচ্ছামূলক অৱসৰ দিয়াৰ ব্যৱস্থা কৰাৰ বাবে ৯ কোটি ৭৫ লাখ টকা ব্যয়ত মন্ত্ৰীসভাই অনুমোদন জনায়।

ooooo

ৰাজ্যৰ বিশিষ্ট ভাস্কৰ্য শিল্পী আৰু কলা নিৰ্দেশক নুৰুদ্দিন আহমেদক আজি পদ্মশ্ৰীৰে সন্মানিত কৰা হয়। বিশিষ্ট শিল্পীগৰাকীয়ে ভাস্কৰ্য আৰু মঞ্চসজ্জাত বৈজ্ঞানিক আৰু কলাত্মক কৌশলৰ একত্ৰে প্ৰদৰ্শনৰ বাবে বিশেষভাৱে সমাদৃত। পাঁচ হাজাৰ ৬০০খনৰো অধিক নাট্যমঞ্চ আৰু ৭৫খন চলচ্চিত্ৰত বিশিষ্ট ভাস্কৰজনে কলা-নিৰ্দেশনা কৰিছে। আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত চলিত বৰ্ষৰ পদ্ম সন্মান প্ৰদান কাৰ্যসূচীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে শিল্পীগৰাকীক পদ্মশ্ৰী সন্মান প্ৰদান কৰে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, গৃহ মন্ত্ৰী অমিত শ্বাহ, বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই অনুষ্ঠানত দুটা পদ্ম বিভূষণ, ৭টা পদ্মভূষণ

আৰু ৫৬টা পদ্মশ্ৰী বঁটাকে ধৰি মুঠ ৬৫টা পদ্ম বঁটা প্ৰদান কৰে। পদ্ম সন্মানৰ বাবে বাছনি কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত নুৰুদ্দিন আহমেদৰ উপৰি অসমৰ সংগীত শিল্পী পখিলা লেক্‌থেপি, মোহিনী আট্টম শিল্পী বিমলা মেনন, টেনিছ তাৰকা বিজয় অমৃতৰাজ, অভিনেতা মামুট্টি, কণ্ঠশিল্পী অলকা য়াগনিক, ক্ৰিকেটাৰ ৰোহিত শৰ্মা অন্যতম। গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যা চৰকাৰে ২০২৬ বৰ্ষৰ বাবে ৫টা পদ্ম বিভূষণকে ধৰি মুঠ ১৩১টা পদ্ম সন্মানৰ বাবে নিৰ্বাচিত ব্যক্তিৰ নাম ঘোষণা কৰিছিল। উল্লেখযোগ্য যে কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া তথা অসামৰিক সেৱা আদি বিভিন্ন ক্ষেত্ৰত উল্লেখনীয় অৱদানৰ বাবে প্ৰতিবছৰে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান হিচাপে এই পদ্ম সন্মানসমূহ প্ৰদান কৰা হয়।

ooooo

ৰাজ্যত বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ অভিযানৰ অধীনত ৰূপান্তৰমূলক আৰু সজাগতা কাৰ্য্যসূচী গ্ৰহণ সন্দৰ্ভত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই বিভাগীয় বিষয়াসকলৰ পৰা বুজ লয়। আজি গুৱাহাটীত বিভাগীয় আয়ুক্তৰ কাৰ্য্যালয়ত অনুষ্ঠিত পৰ্য্যালোচনা বৈঠকত মন্ত্ৰীগৰাকীয়ে ৰাজ্যজুৰি ৰূপায়িত বিভিন্ন আঁচনি আৰু ১০০ দিনীয়া কাৰ্য্যপন্থাৰ অগ্ৰগতিৰ বুজ লয়। ব্যক্তিগত হিতাধিকাৰী আঁচনিৰ অধীনত হিতাধিকাৰী চিনাক্তকৰণ, চাহ বাগিছাৰ পথ, মহিলাৰ নেতৃত্বত পৰিচালিত গ্ৰামীণ হাট আৰু প্ৰতিখন গাঁও পঞ্চায়তত ১ কিলোমিটাৰ দৈৰ্ঘ্যৰ পেভাৰ ব্লক পথ নিৰ্মাণ সন্দৰ্ভতো আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত অসমে শেহতীয়াকৈ ২২ লাখ গৃহ নিৰ্মাণ সম্পূৰ্ণ কৰাটো গৌৰৱৰ বিষয়। এই আঁচনিখনৰ ভৱিষ্যত পৰিকল্পনা সম্পৰ্কেও বৈঠকত আলোচনা কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ কাম-কাজৰো মন্ত্ৰীগৰাকীয়ে পৰ্য্যালোচনা কৰে। ২০২৬-২৭ বৰ্ষৰ ৰাজ্যিক বাজেটত প্ৰস্তাৱিত আৱণ্টন, খালী পদ পূৰণৰ বাবে নিযুক্তি প্ৰক্ৰিয়া ত্বৰান্বিত কৰাকে ধৰি কেইবাটাও বিষয়ত আলোচনা অনুষ্ঠিত হয় বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

-বাইট (অতুল বৰা)-

ooooo

গুৱাহাটীৰ কৰ ভৱনত আজি পি আই বি গুৱাহাটী আৰু এছ বি আইৰ উদ্যোগত বাৰ্তালাপ শীৰ্ষক সংবাদ মাধ্যমৰ এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত বিত্তীয় অন্তৰ্ভুক্তিৰ জৰিয়তে সৱলীকৰণ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। বিগত ১২ বছৰৰ বিশ্বাস, বিকাশ আৰু জন-কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভতো কৰ্মশালাত আলোচনা কৰা হয়। পি আই বিৰ উত্তৰ-পূব মণ্ডলৰ অতিৰিক্ত সঞ্চালকপ্ৰধান কৃপাশংকৰ যাদৱে উদ্বোধন কৰা এই কৰ্মশালাত ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ আঞ্চলিক সঞ্চালক সুস্মিতা ফুকন, নাবাৰ্ডৰ মুখ্য মহা-প্ৰৱন্ধক লোকেন দাস, আই আই বি এমৰ অধ্যাপক ড০ অভিজিত শৰ্মা আৰু এছ বি আইৰ মুখ্য মহা-প্ৰৱন্ধক অতুল ৰাথিয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। এই সন্দৰ্ভত আৰ বি আইৰ আঞ্চলিক সঞ্চালক সুস্মিতা ফুকনে এইদৰে কয়-

-বাইট(সুস্মিতা)-

অনুষ্ঠানটিৰ সঞ্চালনা কৰে পি টি আই গুৱাহাটীৰ মুখ্য সংবাদদাতা ত্ৰিদিপ লহকৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এইমছ গুৱাহাটীৰ উদ্যোগত সংবাদ কৰ্মীসকলৰ বাবে স্বাস্থ্য শিৱিৰো মুকলি কৰা হয়।

০০০০০

ৰাজ্যৰ শিক্ষা বিভাগে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ ৰাজ্যখনত সফলভাৱে ৰূপায়ণ কৰাটো নিশ্চিত কৰাৰ বাবে মহাবিদ্যালয়সমূহত প্ৰয়োজনীয় শৈক্ষিক আন্তঃগাঁথনি গঢ়ি তুলিবলৈ নিৰন্তৰ কাম কৰি আছে। শিক্ষা মন্ত্ৰী ড০ ৰণোজ পেগুৱে আজি সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গৰ সৈতে হোৱা সাক্ষাতৰ পাছত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে শিক্ষাৰ গুণগত মান উন্নয়ন আৰু শিক্ষাৰ্থীসকলৰ বাবে অনুকূল পৰিৱেশ সৃষ্টিৰ ওপৰত চৰকাৰে অগ্ৰাধিকাৰ দি আহিছে। আজি ছাত্ৰ সংগঠনটোৰ প্ৰতিনিধিৰ সৈতে হোৱা বৈঠকত চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ ৰূপায়ণ তথা শিক্ষাৰ্থীসকলৰ বিভিন্ন সমস্যা সমাধানৰ বাবে উপায় উদ্ভাৱন সন্দৰ্ভত আলোচনা কৰা হয়। এই বিষয়সমূহ নিষ্পত্তিৰ বাবে সংশ্লিষ্ট বিভাগসমূহৰ জৰিয়তে পৰ্য্যালোচনা কৰা হ'ব বুলি মন্ত্ৰী ডাঃ পেগুৱে প্ৰকাশ কৰে।

-বাইট(ৰণোজ পেগু)-

বৈঠক সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যই কয়, যে এই বৈঠকত ৰাজ্য চৰকাৰে অহা শিক্ষা বৰ্ষৰ পূৰ্বে মহাবিদ্যালয়সমূহৰ প্ৰয়োজন অনুসৰি স্থায়ী শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

শিক্ষামন্ত্ৰীগৰাকীয়ে আজি কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য প্ৰহ্লাদ আৰ যোশীৰ নেতৃত্বত অহা এটা দলৰ সৈতেও মত বিনিময় কৰে। ড০ পেগুৱে লগতে অসম হাইস্কুল শিক্ষক সন্থাৰ প্ৰতিনিধি দলৰ সৈতেও জনতা ভৱনত মত বিনিময় কৰে। সাক্ষাৎকালত দলটোৱে প্ৰধান শিক্ষক নিযুক্তি, শিক্ষাসেঁতু এপ উন্নীতকৰণ, বৃত্তিমুখী শিক্ষক নিযুক্তিকে ধৰি বিভিন্ন প্ৰয়োজনীয়তা সম্পৰ্কে শিক্ষামন্ত্ৰীক অৱগত কৰে।

০০০০০

অম্বুবাচী উপলক্ষে শক্তিপীঠ কামাখ্যা ধামলৈ দেশ-বিদেশৰ অগণন ভক্তৰ সমাগম হৈছে। প্ৰবৃত্তিৰ লগে লগে কালি নিশা কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হয়। আজিৰেপৰা পৰহিলৈকে কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব।

অম্বুবাচী মহাযোগ সন্দৰ্ভত দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে, ভক্তসকলৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ পৰ্যটন বিভাগ, জিলা প্ৰশাসন আৰু মন্দিৰ কৰ্তৃপক্ষই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। একাংশ দল-সংগঠনৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ স্বেচ্ছাসেৱী সংগঠনসমূহে ভক্তসকলক সহায়-সহযোগিতা আগবঢ়াবলৈ প্ৰয়াস কৰিছে। অম্বুবাচীলৈ অহা ভক্তসকলৰ বাবে ভূতনাথ শ্মশান প্ৰাঙ্গনত বিজেপিৰ কৃষক মৰ্চাৰ উদ্যোগত খাদ্যৰ ব্যৱস্থা কৰা হৈছে।

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফ-চিকুণতাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাস্থলীৰ স্বচ্ছতা নিশ্চিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

০০০০০

ভৰলুমুখ আৰক্ষীয়ে আজি যান-বাহনৰ নীতি-নিয়ম উলংঘা কৰি কুমাৰ ভাস্কৰ বাৰ্মা উৰণ সেতুৰ ওপৰত জন্মদিন পালনৰ অভিযোগত ১৪জন লোকক আটক কৰিছে। ইয়াৰ লগতে এই সন্দৰ্ভত আৰক্ষীয়ে চাৰিখন বাহনো জব্দ কৰে। উল্লেখযোগ্য যে পৰহি মাজনিশা গৌতম বৰুৱা নামৰ এজন ব্যৱসায়ীয়ে দলংখনৰ ওপৰত বেলুন ওলোমাই ৰেড কাৰ্পেট পাৰি পত্নীৰ জন্মদিন পালন কৰিছিল। নীতিবহিৰ্ভুতভাৱে পালন কৰা জন্মদিনৰ দৃশ্য সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ পাছত আজি ভৰলুমুখ আৰক্ষীয়ে এই সন্দৰ্ভত এটা গোচৰ ৰুজু কৰে। এই গোচৰ ভিত্তিতে আৰক্ষীয়ে আজি পত্নীসহ ব্যৱসায়ীজনক আৰু জন্মদিনত উপস্থিত থকা ১৪জন লোকক আটক কৰি সোধা-পোচা অব্যাহত ৰাখিছে। এই সন্দৰ্ভত যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথি বৰাই এনেদৰে কয়-

-বাইট-

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰিছে। ফলাফল অনুসৰি, এই পৰীক্ষাত ৫২ দশমিক ৬-৩ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছে। পৰীক্ষাত অৱতীৰ্ণ ৬৫ হাজাৰ ৫১ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৩২ হাজাৰ ৯৩১ গৰাকী উত্তীৰ্ণ হৈছে। ৮৭৬ গৰাকীয়ে প্ৰথম বিভাগ, ১৭ হাজাৰ ৭৯৭ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ১৪ হাজাৰ ২৫৮ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰিছে। উত্তীৰ্ণসকলৰ নামভৰ্তিৰ বাবে পুনৰ দৰ্পণ প'ৰ্টেল মুকলি কৰা হ'ব বুলি পৰিষদে প্ৰকাশ কৰিছে।

০০০০০

কাছাৰ আৰক্ষীয়ে অভিযান চলাই শিলচৰত বুজন পৰিমাণৰ নিচাযুক্ত টেবলেট জব্দ কৰিছে। জব্দ কৰা ২৯ হাজাৰ ২০০ টা টেবলেটৰ বজাৰ মূল্য আনুমানিক ২ কোটি ৯০ লাখ টকা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহৰ বিৰুদ্ধে কঠোৰ অভিযান অব্যাহত থাকিব বুলি সঁকিয়াই দিয়ে।

০০০০০

জনগণনা ২০২৭ৰ বাবে বিভিন্ন জিলা প্ৰশাসনে পূৰ্ণগতিত প্ৰস্তুতি চলাইছে। গোৱালপাৰা জিলা প্ৰশাসনে ইতিমধ্যে নিযুক্তি দিয়া ক্ষেত্ৰ প্ৰশিক্ষকসকলৰ আজিৰে পৰা তিনি-দিনীয়া প্ৰশিক্ষণ আৰম্ভ কৰিছে। এই প্ৰশিক্ষণ গোৱালপাৰা কৃষি বিভাগৰ প্ৰশিক্ষণ কেন্দ্ৰত অনুষ্ঠিত হৈছে।

যোৰহাটতো জিলা আয়ুক্তৰ কাৰ্যালযয়ত আজিৰে পৰা ক্ষেত্ৰ প্ৰশিক্ষকসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছে। এই প্ৰশিক্ষণত লোকপিয়লৰ প্ৰাথমিক ধাৰণাৰ লগতে তথ্য সংগ্ৰহৰ বিভিন্ন পদ্ধতি, গণনাকাৰী আৰু পৰ্যবেক্ষকসকলৰ কাৰ্যপ্ৰণালীৰ বিষয়ে বিতংকৈ আলোচোনা কৰা হ'ব।

শোণিতপুৰতো গৃহ তালিকাভুক্তি আৰু গৃহগণনা পৰ্যায়ৰ ক্ষেত্ৰ প্ৰশিক্ষকসকলৰ তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী জিলা আয়ুক্তৰ কাৰ্যালয়ত আৰম্ভ হয়। দুটা পৰ্যায়ত অনুষ্ঠিত এই কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় অহা ২৯ জুনৰ পৰা আৰম্ভ হ'ব। এই প্ৰশিক্ষণত গৃহ তালিকাভুক্তি আৰু গৃহগণনাৰ বিভিন্ন দিশ আৰু চলিত বৰ্ষৰ পৰা প্ৰৱৰ্তন কৰা ডিজিটেল লোকপিয়লৰ পদক্ষেপসমূহ সামৰি লোৱা হৈছে।

উল্লেখযোগ্য যে ২০২৭ চনৰ লোকপিয়ল দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। গৃহ তালিকাভুক্তি আৰু গৃহগণনা চলিত বৰ্ষৰ ১৭ আগষ্টৰ পৰা ১৫ ছেপ্তেম্বৰলৈ কৰা হ'ব। ইয়াৰ পূৰ্বে ২ আগষ্টৰ পৰা ১৬ আগষ্টলৈ স্বগণনা

ব্যৱস্থা লোকপিয়লৰ নিৰ্দিষ্ট পোৰ্টেলত উপলব্ধ কৰা হ'ব। ইয়াৰ পাছত দ্বিতীয় পৰ্যায়ত জনসংখ্যা গণনা অহা বছৰ ফেব্ৰুৱাৰী মাহত কৰা হ'ব।

০০০০০

শোণিতপুৰ জিলাৰ কেইবাখনো গুৰুত্বপূৰ্ণ নদীৰ জলস্তৰ ক্ৰমাৎ বৃদ্ধি হৈছে বুলি জলসম্পদ বিভাগৰ শোণিতপুৰ সংমণ্ডলৰ তেজপুৰত থকা নিয়ন্ত্ৰণ কক্ষই প্ৰকাশ কৰিছে। আজি পুৱা ৮ বজাত প্ৰকাশ কৰা তথ্য অনুসৰি গণেশ ঘাটত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি হৈ ৬৪ দশমিক ১-১ মিটাৰ হৈছে। খলিহামাৰীত জীয়াভৰলীৰ জলস্তৰত ৭২ দশমিক ৩-৭ মিটাৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ ক্ৰছিঙত গাভৰু নদীৰ জলস্তৰ ৬৮ দশমিক ৩-০ মিটাৰলৈ বৃদ্ধি হৈছে। একেদৰে বেলশিৰি, ডিপোটা, পাঁচনৈ আৰু জৰাসৰ নদীৰ জলস্তৰো বৃদ্ধি হৈ আছে। আনহাতে ঘিলাধাৰী নদীৰ জলস্তৰ কিছু হ্ৰাস হৈছে। তেজপুৰৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি অঞ্চলটোত দৈনিক ১ দশমিক ৭-০ মিলিমিটাৰ বৰষুণ হৈছে। জলসম্পদ বিভাগে পৰিস্থিতিত নজৰ ৰখাৰ লগতে সংশ্লিষ্ট বিভাগসমূহক সতৰ্ক কৰি দিছে।

০০০০০

পৰিৱৰ্তিত সামাজিক পটভূমিৰ পৰিপ্ৰেক্ষিতত আৰু একক পৰিয়ালৰ ব্যস্ত জীৱনশৈলীৰ ফলত বহু সময়ত ব্যক্তিৰ মৃত্যুৰ পাছত পৰিয়ালৰ লোকে অন্ত্যেষ্টিক্ৰিয়াৰ বাবে অসুবিধাৰ সন্মুখীন হয়। এনে পৰিস্থিতিত সহায়ৰ হাত আগবঢ়াবলৈ আজি পাঠশালাত শ্মশান বন্ধু নামৰ এটা সমাজ সেৱা সংগঠন গঠন কৰা হয়। বিপদৰ সময়ত শোকসন্তপ্ত পৰিয়াললৈ প্ৰয়োজনীয় মানৱ সম্পদ আৰু ব্যৱস্থাপনাগত সহায় আগবঢ়োৱাই এই সংগঠনৰ মূল উদ্দেশ্য।

০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা পৰ্তুগাল উজবেকিস্তানৰ আৰু ইংলেণ্ড ঘানাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পৰ্তুগাল-উজবেকিস্তানৰ খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১০ বজাত আৰু ইংলেণ্ড-ঘানাৰ খেলখন নিশা ডেৰ বজাত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে বিশ্বকাপৰ এখন খেলত আজি পুৱা আলজেৰিয়াই জৰ্ডানক ২-১ গ'লত আৰু ন'ৰৱেই ছেনেগালক ৩-২ গ'লত পৰাস্ত কৰি ৰাউণ্ড থাৰ্টি-টুত প্ৰৱেশ কৰে।

০০০০০

সমাপ্ত

-